হে আবু জৰ! যেতিয়া তুমি কোনো জোল থকা আঞ্জা ৰান্ধিবা, তেতিয়া অলপ পানী বেছিকৈ দিবা, যাতে অলপ তৰকাৰি প্ৰতিৱেশীকো দিব পাৰা।

আবূ জৰ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে: ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছে: "হে আবু জৰ! যেতিয়া তুমি কোনো জোল থকা আঞ্জা ৰান্ধিবা, তেতিয়া অলপ পানী বেছিকৈ দিবা, যাতে অলপ তৰকাৰি প্ৰতিৱেশীকো দিব পাৰা।"
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত আবু জৰ গেফাৰী ৰাদ্বিয়াল্লাহু আনহুক উৎসাহিত কৰিছে যে, যেতিয়া তেওঁ আঞ্জা ৰান্ধিব তেতিয়া যেন তেওঁ আঞ্জাত অকণমান পানী বেছিকৈ দিয়ে, যাতে সেই আঞ্জাৰ পৰা অকণমান প্ৰতিৱেশীকো দিব পাৰে।

http://www.sunnah.global/hadeeth/as/show/5336